# শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ পঞ্চম বিষয় ঃ ভাষা-১ (অসমীয়া) তৃতীয় সামৰিকী (আগষ্ট, ছেপ্তেম্বৰ, ২০১৮) ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - লিখন কৌশল (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকনৰ ফলাফল ঃ**

⇨ ছাত্ৰ-ছাত্ৰীয়ে উপযুক্ত স্থানত যতি বিৰাম চিহ্নৰ প্ৰয়োগ কৰি নিৰ্দিষ্ট দফা লিখিব পাৰিব।

⇨ ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰ ব্যৱহাৰ কৰি নতুন শব্দ গঠন কৰিব পাৰিব, বাক্য গঠন কৰিব পাৰিব, সাঁথৰ ভাঙিব পাৰিব।

⇨ ছাত্ৰ-ছাত্ৰীয়ে সাধুকথা, কাহিনী, চমুটোকা আদি নিজৰ ভাষাৰে শুদ্ধকৈ লিখিব পাৰিব।

**শিকনৰ ফলাফলৰ উপক্ষেত্ৰ ঃ**

⇨ যতি চিহ্নৰ ব্যৱহাৰ জানি শুদ্ধ বাক্য লিখিব পাৰিব।

⇨ যুক্তাক্ষৰ ব্যৱহাৰ কৰি নতুন শব্দ, আৰু বাক্য গঠন কৰিব পাৰিব।

⇨ পাঠভিত্তিক প্ৰশ্নোত্তৰ লিখিব পাৰিব, সাঁথৰ ভাঙিব পাৰিব।

⇨ সাধুকথা, কাহিনী, চমুটোকা আদি লিখিব পাৰিব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি তৃতীয় সাময়িকী (আগষ্ট, ছেপ্তেম্বৰ -২০১৮) লৈকে জড়িত পাঠ্যপুথিৰ পাঠসমূহ ঃ**

| | |
|---|---|
| ক) ভতুৰা আৰু খঁকুৰাৰ খৰিয়াল | - পাঠ নং ৯ |
| খ) তিনিটা মাছৰ কাহিনী | - পাঠ নং ১০ |
| গ) অমলপ্ৰভা দাস | - পাঠ নং ১১ |
| ঘ) আগতে নিজে নিকা হ’ | - পাঠ নং ১২ |

**পাতনি ঃ**

এই সমল সামগ্ৰীত “শিক্ষাৰ অধিকাৰ আইন-২০০৯” অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, ভাষা, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে।

প্ৰাথমিক বিদ্যালয়ৰ পৰ্যায়ত অনুষ্ঠিত গুণোৎসৱ - ২০১৭ আৰু ‘NAS (National Achievement Survey)’ - ২০১৭ ৰ ফলাফলৰ আধাৰত দেখা গৈছে যে লিখন কৌশল আয়ত্তকৰণত প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী এতিয়াও পাছ পৰি আছে। মাতৃভাষাৰ শিক্ষাদানত আটাইকেইটা কৌশলৰ ভিতৰত অতি গুৰুত্বপূৰ্ণ কৌশলটো হৈছে লিখন। লিখন হৈছে এক জটিল মানসিক প্ৰক্ৰিয়া। লিখন এনে এক ব্যৱস্থা য’ত ভাষাৰ দৃশ্যমান প্ৰতীক বা চিহ্নৰ প্ৰণালীবদ্ধ আৰু সৃষ্টিশীল ব্যৱহাৰৰ দ্বাৰা মনৰ ভাব, অনুভূতি, চিন্তা, জীৱনৰ অভিজ্ঞতা, কল্পনা আদি আনে বুজিব পৰা ধৰণে উপস্থাপন কৰা হয়।

প্ৰাথমিক স্তৰত ছাত্ৰ-ছাত্ৰীৰ মাতৃভাষাৰ বিভিন্ন আখৰবোৰ সঠিক গঢ়ত লেখা, পাঠ্যপুথিত থকা শব্দ আৰু সহজ-সৰল বাক্যবোৰ চাই চাই লিখা, শ্ৰুতলিপি লিখা, লিখোঁতে ব্যৱহাৰ হোৱা যতি বিৰাম চিহ্ন, যেনে - দাড়ি (।), কমা (,), ঊৰ্ধকমা(“-”) আদিৰ সাধাৰণ ব্যৱহাৰ শিকা ইত্যাদিৰ ওপৰত পোনতে গুৰুত্ব দিয়া উচিত আৰু এই স্তৰত যতি চিহ্নৰ ব্যৱহাৰ কৰোঁতে, শ্ৰুতলিপি শুদ্ধকৈ লিখোঁতে, নিজাকৈ বাক্য লিখোঁতে ভুল হোৱা দেখা যায়। এই সমল সামগ্ৰীত উপযুক্ত স্থানত যতি চিহ্ন ব্যৱহাৰ, নতুন শব্দ গঠন কৰি নিজাববীয়াকৈ বাক্য লিখা, সাধুকথা, কাহিনী আৰু চমুটোকা আদি লিখনত সহায় হ’ব পৰাকৈ কিছুমান ক্ৰিয়া-কলাপ দিয়া হৈছে।

**ওপৰত উল্লিখিত শিকন ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম—**

⇨ ভাষা এটি ভালকৈ আয়ত্ত কৰিবলৈ হ'লে লিখন কৌশলৰ জ্ঞান প্ৰয়োজন।

⇨ লিখনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ মনোপেশীয় দিশৰ বিকাশৰ লগতে বানান শুদ্ধ হয়।

⇨ লিখনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে নিজস্ব চিন্তা শক্তি, সৃজনীশক্তিৰ পৰিচয় দাঙি ধৰিব পাৰে।

⇨ লিখনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ শ্ৰৱণ আৰু পঠনবোধ মূল্যায়ন নিৰূপণ কৰিব পাৰি।

**এই সমল সামগ্ৰীৰ পৰা আমি শিক্ষক হিচাপে কি শিকিব পাৰিম ?**

⇨ ইয়াৰ অধ্যয়নৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ লিখন কৌশলৰ বিকাশৰ বাবে ক্ৰিয়া-কলাপ আৰু অনুশীলনৰ পৰিকল্পনা কৰিব পাৰিম।

⇨ শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীক পৰ্যাপ্ত পৰিমাণে লিখনৰ সুবিধা প্ৰদান কৰি তেওঁলোকৰ মূল্যায়ন কৰিব পাৰিম।

⇨ লিখন দক্ষতা বিকাশৰ লগতে স্ব মূল্যায়ন কৰিবলৈ সুবিধা পাম।

⇨ ছাত্ৰ-ছাত্ৰীক লিখন দক্ষতাৰ অবিৰত মূল্যায়ন নিজাববীয়াকৈ কৰিবলৈ দিবলৈ সুবিধা পাম।

**লিখন কৌশল বিকাশৰ ব্যৱস্থাৱলী —**

⇨ এই সমল সামগ্ৰী অধ্যয়ন কৰি বিভিন্ন ক্ৰিয়া-কলাপ আৰু অনুশীলন কৰাৰ কাৰণে সুবিধা পাম।

⇨ শব্দ গঠন আৰু বাক্য গঠনৰ প্ৰয়োজনীয়তা অনুধাৱন কৰিব পাৰিম।

⇨ অভ্যাস অনুশীলনীৰ জৰিয়তে চমুটোকা, মূলভাব, সাধুকথা, কাহিনী আদি লিখিব পাৰিম।

⇨ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক অগ্ৰগতিৰ মান নিৰূপণ কৰিব পাৰিম।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ আৰ্হিমূলক এটা ৰূপৰেখা সংক্ষেপে উপস্থাপন কৰা হ'ল।**

| মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া) | | | | |
|---|---|---|---|---|
| **শিকনৰ ফলাফল** | **সামগ্ৰী** | **শিকন প্ৰক্ৰিয়া** | **প্ৰশ্নাৱলী** | **মূল্যায়ন** |
| ক) উপযুক্তস্থানত যতিচিহ্নৰ প্ৰয়োগ কৰি নিৰ্দিষ্ট দফা লিখিব পৰা | ⇨ পাঠ্যপুথি<br>⇨ নিৰ্দিষ্ট দফা | দলগত কাৰ্য | ১) তলৰ বাক্যাংশটো যতি বিৰাম চিহ্ন যোগ কৰি সম্পূৰ্ণ কৰা—<br>হেৰ খঁকুৰা তই চকীখনতে লেপেট খালি কিয় নাজান নে সেইখনত যে গাওঁবুঢ়া দেউতাহে বহে তাত শুবলৈ তোৰ লাজ লগা নাইনে | অবিৰত আৰু সামগ্ৰিক মূল্যায়ন |
| খ) সাধুকথা, কাহিনী আদি চমুকৈ লিখিব পৰা | ⇨ পাঠ্যপুথি<br>বহিৰ্ভূত সামগ্ৰী | দলগত কাৰ্য | ২) কুকুৰ আৰু মেকুৰীৰ বিষয়ে থকা সাধু সংগ্ৰহ কৰি লিখা।<br>৩) তুমি নিজে জনা এটি সাধু লিখা। | |

**ক্ষেত্ৰ অধ্যয়ন (Case Study) ঃ**

**প্ৰস্তুতি ঃ**

⇨ শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক তিনিজনীয়া দলত ভাগ কৰি ল'লে।

⇨ তেওঁ 'বুধিয়ক কাউৰী' সাধুকথাটো ছবি কাৰ্ডৰ সহায়ত (৫ খন) প্ৰস্তুত কৰি ল'লে।

শ্ৰীযুত বনমালী মহন্ত পঞ্চম শ্ৰেণীৰ ভাষা বিষয়ৰ শিক্ষক। ভাষা শিকনৰ চাৰিটা কৌশলৰ ভিতৰত কথন কৌশল আৰু লিখন কৌশলৰ গুৰুত্ব অপৰিসীম। অসমীয়াত এশাৰী প্ৰবাদ বাক্য আছে 'কথাত কটা যায়, কথাত বঁটা পায়।" ছাত্ৰ-ছাত্ৰীয়ে যদি নিজে জনা কথাখিনি সলসলীয়াকৈ, খোকোজা নলগাকৈ কথিত ভাৱে অথবা লিখিতভাৱে প্ৰকাশ কৰিব পাৰে , তেনে ধৰণৰ ছাত্ৰ-ছাত্ৰীক ভাষা শিকনত দক্ষতা আহৰণ কৰিব পাৰিছে বুলি ক'ব পৰা যায়। তেতিয়া ছাত্ৰ-ছাত্ৰীয়ে লিখন কৌশল পৰীক্ষা কৰিবলৈ তেওঁলোকে জনা সাধু কথা, যেনে— "বুধিয়ক কাউৰী" সাধুটো ছবি কাৰ্ডৰ সহায়ত ছাত্ৰ-ছাত্ৰীক সন্মুখত ক্ৰম অনুসৰি দেখুৱাই বাখ্যা কৰিলে। ইয়াৰ পাছত ছাত্ৰ-ছাত্ৰীসকলক কাষলৈ মাতি আনি ছবিবোৰ পৰ্যৱেক্ষণ কৰিবলৈ সুযোগ দিলে। ছাত্ৰ-ছাত্ৰীয়ে কিছু সময় পৰ্যৱেক্ষণ কৰাৰ অন্তত সাধুটো তেওঁলোকক ক্ৰম ৰক্ষা কৰি লিখিবলৈ দিলে। ছাত্ৰ-ছাত্ৰীৰ বহীবোৰ পৰীক্ষা

কৰি তেখেতে দেখিবলৈ পালে যে প্ৰায় সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে সাধুটো লিখিব পৰা নাই। কেইজনমান ছাত্ৰ-ছাত্ৰীয়ে মাত্ৰ এশাৰী লিখিলে যদিও এইবোৰ নিম্নমানৰ আছিল। সেইবাবে ছাত্ৰ-ছাত্ৰীৰ লিখন কৌশলৰ মান উন্নীত কৰিবলৈ তেখেতে পৰিকল্পনা যুগুতাই ল'লে।

*বিঃদ্ৰঃ বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীসকলক লিখনকৌশল শিকাবলৈ মহন্ত ছাৰে বিশেষভাৱে গুৰুত্ব দিছিল।*

**চিন্তা কৰি চাওঁ আহক ঃ**

- ⇨ মহন্ত ছাৰে কিয় ছবি কাৰ্ড প্ৰস্তুত কৰিছিল?
- ⇨ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিক্ৰিয়া কেনেধৰণৰ আছিল?
- ⇨ ছাত্ৰ -ছাত্ৰীয়ে ক্ৰিয়া-কলাপটো কৰি আনন্দ পাইছিল নে?
- ⇨ আমিও শিকনৰ ফলাফলৰ দুৰ্বলতা আঁতৰ কৰিবলৈ কিবা নতুন ক্ৰিয়া-কলাপ পৰিকল্পনা কৰিব নোৱাৰো নে?

**ক্ৰিয়া-কলাপ — ১**

যতি বিৰাম চিহ্ন প্ৰয়োগ কৰি ছাত্ৰ-ছাত্ৰীক দফা লিখাত পাৰদৰ্শী কৰিবৰ বাবে তলত দিয়া ক্ৰিয়া-কলাপটো কৰি চাব পাৰিব।

এই ক্ৰিয়া-কলাপটো কৰাৰ বাবে তলত দিয়া ধৰণৰ শিক্ষণ-শিকন সামগ্ৰী সংগ্ৰহ কৰি ল'ব পাৰি।

- ⇨ পাঠ্যপুথিৰ নিৰ্দিষ্ট পাঠৰ দফা
- ⇨ বোৰ্ড
- ⇨ চক পেঞ্চিল

প্ৰথমে ছাত্ৰ-ছাত্ৰীসকলক কেইটামান দলত ভাগ কৰি ল'ব। এতিয়া প্ৰতিটো দলে 'তিনিটা মাছৰ কাহিনী'ৰ পৰা নিজাববীয়াকৈ দফা এটা বাছি লৈ নিজৰ কাৰ্ড সমূহত যতি চিহ্ন প্ৰয়োগ কৰি দফাটো লিখি ল'ব।

উদাহৰণ স্বৰূপে এটা দফা দিয়া হ'ল ঃ — **'আপুনি সঁচা কথাকে কৈছে । ময়ো এই বিল এৰি অতিশীঘ্ৰে ওচৰত থকা আন এটা খাল-বিললৈ যোৱাটোকেই উচিত হ'ব বুলি ভাঁবো। কিয়নো, যাৰ জীয়াই থকাৰ উপায় থাকে, তেওঁ কিহৰ মোহত বিনাশ হ'ব? 'পিতৃ-পিতামহৰ কুঁৱা' বুলি ভবা কাপুৰুষসকলেহে খাৰুৱা পানীকে খাই জীয়াই থাকে।'**

এতিয়া শিক্ষকে অন্য কাৰ্ড এখনত ওপৰত উল্লিখিত দফাটো লিখি তাত থকা যতি বিৰাম চিহ্নবোৰ প্ৰয়োগ কৰি সুন্দৰভাৱে ডাঙৰ ডাঙৰকৈ ছাত্ৰ-ছাত্ৰীয়ে শুনাকৈ আদৰ্শ পঠন কৰিব। এইদৰে কেইবাবাৰো পঢ়ি দিয়াৰ পাছত দলত ভগাই দিয়া কাৰ্ডসমূহ ছাত্ৰ-ছাত্ৰীসকলক পঢ়িবলৈ দিব। এই কাৰ্যত শিক্ষকে সহায় কৰি দিব।

এইদৰে পাঠটোত থকা দফাবোৰ এটা এটাকৈ পঢ়িবলৈ দি পাঠটো শেষ কৰিব।

পাঠটো শেষ হোৱাৰ পাছত গৃহকৰ্ম হিচাপে পাঠৰ পৰৱৰ্তী অংশ ঘৰত পঢ়িবলৈ দিব।

**ক্ৰিয়া-কলাপ —২**

পাঠৰ অন্তৰ্গত আৰু পাঠ বহিৰ্ভূত সাধুকথা, কাহিনী, চমুটোকা আদিৰে ছাত্ৰ-ছাত্ৰীৰ লিখন কৌশল পৰিপুষ্ট কৰিবলৈ তলত দিয়া ক্ৰিয়া-কলাপটো দিব। ইয়াৰ বাবে প্ৰয়োজনীয় শিক্ষণ-শিকন সামগ্ৰী হ'ল—

- ⇨ পাঠ্যপুথি
- ⇨ আগেয়ে শুনা সাধু, কাহিনীৰ পুথি আদি।

ছাত্ৰ-ছাত্ৰীসকলক ৬ টা দলত ভাগ কৰি ল'ব।তেওঁলোকক ৬ খন বগা কাৰ্ড দিব আৰু আনৰ পৰা শুনা চমু সাধু এটা বাছি লৈ প্ৰতিটো দলকে কাৰ্ডত সাধুটো লিখিবলৈ দিব। ইয়াৰ পাছত ছাত্ৰ-ছাত্ৰীসকলক এজন এজনকৈ সাধুটো পঢ়িবলৈ দি পুনঃ নিজাববীয়াকৈ সেই সাধুটো প্ৰত্যেককে লিখিবলৈ দিব । লিখা হোৱাৰ পাছত সাধুটোৰ পৰা কি বুজি পালে লিখিবলৈ দিব পাছত শিক্ষকে নিৰীক্ষণ কৰি মান নিৰূপণ কৰিব। এইক্ষেত্ৰত শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰিব।

**সাৰাংশ ঃ**

- ⇨ ওপৰোক্ত ক্ৰিয়া-কলাপৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে উপযুক্ত স্থানত যতি বিৰাম চিহ্নৰ প্ৰয়োগ কৰি দফা লিখিব পাৰিব।
- ⇨ পাঠৰ অন্তৰ্গত আৰু পাঠ বহিৰ্ভূত সাধু বা কাহিনী আদি চমুকৈ নিজাববীয়াকৈ নিজৰ ভাষাৰে লিখিব পাৰিব।

⇨ লিখনৰ দক্ষতা আয়ত্ত কৰিব পাৰিব।

**দৃঢ়ীকৰণ ঃ**

ছাত্ৰ-ছাত্ৰীৰ দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্ৰশ্নবোৰ ছাত্ৰ-ছাত্ৰীক সুধিব পাৰি—

১। তলত দিয়া দফাটোত থকা বাক্যবোৰত যতি বিৰাম চিহ্ন প্ৰয়োগ কৰি লিখা—

অ’ হয় নেকি তুমি দেখিছোঁ বহুত খবৰেই ৰাখা চোৰা চোৰা সিহঁতে চপ চপাই পানী খাবলৈ আৰম্ভ কৰিলেই পিছে দুয়োৱে একেধৰণে পানী খায় এই কথা জানানে মেকুৰীয়ে পানীলৈ ভয় কৰে আনহাতে কুকুৰে আকৌ পানীত সাঁতুৰিবও পাৰে মেকুৰীয়ে গছ বগাব পাৰে কিন্তু কুকুৰে নোৱাৰে (কিতাপৰ সহায় লৈ অভ্যাস কৰিব)

২। ডেচ চিন (—) আৰু হাইফেন (-) কি কি ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়?

৩) তলৰ বাক্যাংশটো যতি বিৰাম চিহ্নৰে সম্পূৰ্ণ কৰা।—

হেৰ খঁকুৰা তই চকীখনতে লেপেট খালি কিয় নাজান নে সেইখনত যে গাওঁবুঢ়া দেউতাহে বহে তাত শুবলৈ তোৰ লাজ লগা নাইনে?

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলনী ঃ**

১। তলত দিয়া বাক্যবোৰত উপযুক্ত স্থানত যতি চিহ্ন প্ৰয়োগ কৰি লিখা—

ক) তুমি আজি বজাৰলৈ যাবানে

খ) বীণা ৰীণা আৰু ৰাণাই একেলগে মাকৰ লগত মুকুতা কথাছবি চাবলৈ গৈছিল

গ) শিক্ষকে কলে তুমি সদায় মনোযোগ দি পঢ়িবা

২। ‘বান্দৰ আৰু ঘঁৰিয়াল’ৰ সাধুটো সহজ ভাষাৰে নিজাববীয়াকৈ লিখা।

৩। কিতাপ, বিদ্যালয়, মাইনা এই তিনিটা শব্দেৰে এটা চমু কাহিনী লিখা।

৪। কুকুৰ আৰু মেকুৰীৰ বিষয়ে থকা সাধু সংগ্ৰহ কৰি লিখা।

৫। তুমি নিজে জনা এটি সাধু লিখা।

**প্ৰসঙ্গ পুথি ঃ**

১। পাঠ্যপুথি।

২। অসমীয়া ব্যাকৰণ প্ৰৱেশ — ড° গোলোক চন্দ্ৰ গোস্বামী ।

৩। সাধুকথাৰ পুথি।

***